বিজ্ঞান ধাৰাৱাহিক - বহনক্ষম বিকাশ ....

ভূজলৰ অত্যধিক ব্যৱহাৰ আৰু ইয়াৰ ফলাফল ড০ স্বপ্না দেৱী

চৰিত্ৰ

১. দেউতাক
২. মাক
৩. পৱন কুমাৰ – ভূতত্ত্ববিদ পুতেক
৪. নয়না – কলেজৰ প্ৰবক্তা বোৱাৰীয়েক
৫. মাইনা – নাতিনীয়াক
৬. মিস্ত্ৰি

(এখন ঘৰৰ পৰিৱেশ, ৰাতিপুৱা ৭ মান বাজিছে। চাৰিওফালে চৰাই চিৰিকতিৰ মাত, কৰবাত দুই এখন গাড়ীৰ শব্দ আৰু হৰ্ণৰ আৱাজ)

দেউতাকঃ অ' পানী দেখোন পাইপত নায়েই, তহতি পাম্প চলোৱা নাছিলি নেকি? ময়েই দিওচোন ছুইচটো (ছুইচ দিয়াৰ শব্দ)। ক'তা কাটাদাল দেখোন ভালকৈ উঠাই নাই। কি হ'ল? কাৰেন্ট পোৱাই নাই নেকি? যোৱাবাৰ, ইলেক্ট্ৰিচিয়ান জনে কিবা তাঁৰ কেইডাল সলনি কৰি দিছিল, ময়ো কৰি চাঁওচোন। ( খুটুক কহাটাক শব্দ)। এইবাৰ অন কৰি চাঁও। এয়া চুইচ দিলো, সৰ্বনাশ, এইবাৰো একেই দশা। কি বিপদখন হ'ল, ঘৰখনত পানী এটোপা নহ'লে কি কৰা যায় এতিয়া? পৱন, অ' পৱন আহচোন চাই যাহি-চোন।

পৱনঃ দেউতা কি হ'ল?

দেউতাকঃ পানী নচলা হ'ল। মেচিন দিছোহে দিছো কেট্ কুট নকৰা হ'ল।

পৱনঃ ফেব্ৰুৱাৰী মাহ, পানী নলীনাদটোত তললৈ গ'ল নেকি? বৰষুণো নাই কেবা মাহোঁ। তাতে আকৌ উচৰৰ ডাঙৰ এপাৰ্টমেন্টতোত গভীৰ নলীনাদ বহু তললৈ বহুৱাইছে হ'বলা। এই গুৱাহাটীখনত আৰু থাকিব নোৱাৰা হ'ল।

নয়নাঃ আজি পানী নুঠিবই নেকি? এ ডাঙৰ কথা হ'ল। মোৰ ইফালে ৰাতিপুৱা ৯ টাতে ক্লাচ, খাই বৈ কলেজ পাবগৈ লাগে। কি কৰো এতিয়া। পানীৰ ভেন এখনকে মাতা ভাল।

পৱনঃ মাতাচোন, ফোন কৰি দিয়া।

দেউতাকঃ লগতে পইপ মিস্ত্ৰিকো ফোন এটা কৰো।

দেউতাকঃ হেল্লো, নৰেন মিস্ত্ৰি নেকি? ন'কবা আৰু, আমাৰ নলীনাদটোৰ পানী সুকাই গ'ল বুজিছা, তুলি যেনে তেনে এবাৰ আহি চাই যোৱাহিচোন। কি কৈছা? ১০ টা বজাত আহিবা? আহা, আহা।

পৱনঃ বুজিছা দেউতা, আমাৰ গুৱাহাটীখন হ'ল পাথৰে পৰ্বতে আগুৰা ঠাই। তলৰ মাটিভাগো শিলাময়। সেয়েহে পানী ধাৰণ কৰি ৰাখিব পৰা ক্ষমতা অন্যবোৰ পাহাৰ নথকা ঠাইতকৈ বেলেগ। গুৱাহাটীখনত যিমানবোৰহে মানুহ হৈছে। যিবোৰ ঠাইত ৫ জন ৬ জন মানুহেৰে এটা পৰিয়াল আছিল সেইবোৰ ঠাইত ১৫০ - ২০০ মানুহৰ ডাঙৰ ডাঙৰ আকাশ চুম্বি

অটালিকা হ’ল। আগতে ৫-৬ জনৰ পানী তোলা ঠাইখিনিত ২০০ মানুহক পানী তুলিব লগা অৱস্থা হ’ল। চাৰিওফালে থেপা থেপিকৈ ঘৰ সমুহ হ’ল। কেনেকৈ কি হ’ব? তলৰ ভূজলভাগ লাহে লাহে শুকাই যাবলৈ ধৰিছে আৰু ইয়াৰ পৃষ্ঠ বহু তললৈ নামি গৈ আজিৰ আমাৰ এই সমস্যাৰ সৃষ্টি কৰিছে।

দেউতাকঃ তই ঠিকেই কৈছ। কেইদিন্মানৰ আগতে কোনোবআ খবৰকাকত এখনত আৰ্তিকল এটাও পঢ়িছিলো। অসমৰ বাহিৰৰ ৰাজ্য সমুহত যেনে দিল্লী, পঞ্জাৱ, গুজৰাট, মহাৰাষ্ট্ৰ, তামিল নাডু আদি ঠাইত হেনো ভূজলৰ ইমান বেছি ব্যৱহাৰ হ’লযে তাত বোলে ভূজলৰ পৃষ্ঠ ২০০-৩০০ মিটাৰ পৰ্য্যন্ত তললৈ গৈ, যিহে বিপদৰ সৃষ্টি কৰিছে। এতিয়া বোলে সেইবোৰ ঠাইত কিবা কৃত্ৰিম ভূজলৰ পৰিপুৰক কৰিছে। অ’ পানীৰ ভেন আহিলদেই। হেৰা ভাইটি, ইয়াতে তাঁৰ দাল লগাই ল’ব পাৰিবা। যোৱাচোন যোৱা ওপৰত তেন্কিত পাইপদাল লগাই থৈ আহাগৈ। পাৰিবানে বাৰু?

পৱনঃ ৰ’বা ৰ’বা মই চাই দিছো। হ’ব চুইচটো অন কৰি দিয়া।

মাকঃ ৰক্ষা, পানীগাড়ীখন আহিলতহে মুখেল পানী আহিছে। লৰালৰিকৈ ৰুটি ভাজি অলপ কৰি দিও। তাকে খাই নয়নাই কলেজলৈ যাব পাৰিব।

নৰেন মিস্ত্ৰিঃ (কলিং বেল বজোৱাৰ শব্দ) ছাৰ, ঘৰত আছেনে?

দেউতাকঃ অ’ মিস্ত্ৰি, আহিলা নেকি? চোৱাচোন কি অসুবিধাত পৰিলো। কিনো বেয়া হ’ল চোৱাচোন।

নৰেনঃ ছাৰ, পানীৰ স্তৰ তললৈ গৈছে বোধহয়। আৰু ডুদালমান পাইপ ভৰাব লাগিব ছাগে। এইবাৰ ভৰালে ৩৫০ ফুট পাবগৈ। যোৱাবাৰ ডুবছৰৰ আগতে নমাইছিলো নহয়। মই এঘন্টা মানৰ ভিতৰত সা সৰঞ্জাম, মানুহ - ডুনুহ পঠাই দিম। নতুন পাইপ কিনিব লাগিব। মোকে টকা দিয়ক। ময়েই লৈ আহিম।

দেউতাকঃ কিমান লাগিব?

নৰেনঃ ৫ হাজাৰ মান দিয়কচোন, লগতে অন্যবোৰ বস্তুও কিনিব লাগিব।

দেউতাকঃ এয়া, লোৱা, তুমি সোনকালে কামটো কৰি দিয়া।

মাকঃ আহকচোন, চাহ হ’ল, খাই ল’ব লাগে।

পৱনঃ মা, তোমালোকে ইমান বেছিকৈ পাইপৰ পানীখিনি খুলি নথ’বাচোন, চাৰিওফালে পানীৰ আকাল হৈছে। পানীৰ লেভেল তললৈ নামি গৈ বিপদৰ সৃষ্টি কৰিছে। চোৱাচোন, পানী নহ’লে কিমান অসুবিধা হয়। কোনো প্ৰাণীয়ে পানী নহ’লে জীয়াই থাকিব নোৱাৰে। পানীয়েই জীৱন।

নয়নাঃ মা, মই গাটো ধুই আহিলো, যাবৰ হ’লেই। খোৱাখিনি মই নিজেই লৈ লওঁ, তুমি ধুবলৈ যোৱা। পানী আহিলতহে ৰক্ষা পৰিছো।

মাইনাঃ মা, মা মোৰ ভোক লাগিছে। মোকো দিয়া। মই ৰুটিৰ লগত কণীৰ অমলেট খাম। দিবানে?

নয়নাঃ ৰ’বা, দিছো, ভালকৈ খোৱা। আজিটো তোমাৰ স্কুল নাই।

মাইনাঃ দিয়া।

(আবেলীৰ পৰিৱেশ)

নয়নাঃ দেউতা, আজি কলেজত গৈও গম পালো, আমাৰ নিজৰা বাইদেউ হতৰ ঘৰতো একেই অৱস্থা। পানী তললৈ নামি গ'ল আৰু পাইপয়ে টানিব নোৱাৰা হ'ল। মিস্ত্রি মাতি আনি আকৌ নলীনাদ টোৰ পাইপ ছৰাবলৈ দিছে।

দেউতাকঃ কি কৰা আৰু চাৰিওফালে একেই অৱস্থা। আমাৰ গুৱাহাটীতেই এই দশা। যতে ততে ফ্লেটবোৰ সাজিছে। মানুহবোৰ বেছি হৈছে। পানী লগাতকৈ বহুত বেছি ৰূপত পাম্প লগাই বাহিৰলৈ আনি অনাহকত খৰছ কৰিছে। পানীৰ পৃষ্ঠ তললৈ নগৈ ওপৰলৈ আহিব নেকি? এনেদৰে পানী খৰছ কৰি থাকিলে এটা সময় আহিব পানী এটোপাও নোপোৱা হ'ম। মানুহবোৰে বুজি নাপায় নহয়।

নয়নাঃ কি কৰিব দেউটা! কোনেও সেয়া চিন্তা নকৰে। ইমান পানী অপচয় কৰি খুলি থ'ব। সেইদৰে প্ৰত্যেকটো কথাতে পানীৰ অপচয় কৰিব। কামকৰা ল'ৰাটোৱেও পানীৰ ইমান অপব্যৱহাৰ কৰে। গা ধোওতে টেপটোৰ পানী বাল্টিতোত ভৰি যোৱাৰ পিছতো খুলি থ'ব। কাক কেনেকৈ বুজাব?

মাকঃ নয়না, আহিলা। যোৱা মুখহাত ধুই চাহ খোৱাহি। আজি ক'ৰবালৈ গৈছিলা নেকি?

নয়নাঃ নাই যোৱা মা, ৫ টা ক্লাছ আছিল। ভাগৰ লাগি গৈছেগৈ।

মাইনাঃ মা, আহিলা। মোলৈ কি আনিছা?

নয়নাঃ তোমালৈ ৰীপা জেঠাইয়ে কেক দিছে। লোৱা, আজি কি কি পঢ়িলা? হোমৱৰ্ক কৰিলানে নাই?

মাইনাঃ কৰিলো কৰিলো। ইমান ধুলিয়া কেকটো।

নয়নাঃ খোৱা খোৱা, ৰীপা বাইদেৱে নিজে বনাইছে কেকটো। ইমান ধুনীয়া ৰন্ধা বঢ়া কৰে বাইদেৱে। মই সিকি আহিছো। এদিন ময়ো বনাম।

মাকঃ অ' ৰ'বাচোন, আজিকালি আমাৰ ঘৰত বহুত দিন একো বনোৱাই নাই। কেক বনোৱা অ'ভেনটো বা ভালেৰে আছেনে নাই?

দেউতাকঃ ৰ'বা ৰ'বা মিস্ত্রি, গৈ আছো। আজিলৈ কাম সামৰিলা নেকি? কাইলৈ হ'বগৈনে বাৰু?

মিস্ত্রিঃ ছাৰ, কাইলৈও হোৱাৰ সম্ভাৱনা নাই, পৰহিলৈ মানে হবগৈ পাৰে। পাইপবোৰ আজি ওপৰলৈ উলিওৱা হোৱাই নাই। কাইলৈও উলিয়াব লাগিব। পৰহিলৈ পাইপ ভৰাব পাৰিলেহে মাকটো হবগৈ।

পৱনঃ আজি কিমান কাম আগবাঢ়িল? অ' পাইপ কেইদালমানহে উলিয়ালে হ'ব পায়। আজি এতিয়াও পানী নিকিনিলে কাইলৈ ৰাতিপুৱা অসুবিধা হব। মই পানীৰ ভেন খন মাতি দিছো ৰ'বা।

(পানীৰ ভেন অহাৰ শব্দ)

পৱনঃ পানী আহিলে বোধহয়। অ' ৰ'বা ৰ'বা, আহিলা। দিয়া দিয়া চৌবাচ্চাটোত ভৰাই দিয়া। কাইলৈও ৰাতিপুৱা ৮ টা মান বজাত আহিবা দেই। আজি কামটো নহ'লেই নহয়। পাৰিবানে আহিব?

(ৰাতিপুৱাৰ পৰিৱেশ। চৰাই চিৰিকতিৰ মাত। এখন দুখন গাড়ীৰ শব্দ)

দেউতাকঃ আজি কামটো হলেহে মনটো ভাল লাগিব। মিস্ত্ৰিনো কেতিয়াকৈ আহিব? পানী নহলে মনটো কিবা বেয়া লাগি থাকে। ইমানন তললৈ যাবগৈ লাগেনে পানীখিনি? পৱন, কচোন তইতো ভূতত্ববিদ, এইবোৰ কথা জানই।

পৱনঃ মই আগতেই কৈছো, অতিমাত্ৰা ভূজল ওপৰলৈ উত্তোলণ কৰাৰ বাবেই এনে হৈছে। আমি পানীভাগ বাহিৰলৈহে উলিয়াইছো, ভূতলৰ ভিতৰলৈ সোমোৱাৰ কোনো বন্দবস্ত কৰা নাই। এতিয়াৰ পৰা আমি বৰষুনৰ পানীৰ কৃত্ৰিম জল পৰিপুৰক কৰিব লাগিব।

দেউতাকঃ সেয়া মই কাগজত পঢ়া প্ৰবন্ধত তেনেকৈয়ে লিখিছে। কি কৰিব লাগিব তই জাননে?

পৱনঃ আমি বৰষুনৰ পানী সংৰক্ষন কৰাটোও অতি ভাল কাম হ'ব। সোই পানীৰে আমি বহুতো কাম কৰিব পাৰিম আৰু ভূজল ওপৰলৈ আনিবৰ বাবে কমকৈ পাম্প কৰিলেও হ'ব।

দেউতাকঃ এতিয়াও ভাৰতৰ বহু ঠাইত যেনে মিজোৰাম, মেঘালয়, নাগালেণ্ড আদিত বৰষুনৰ পানী সংৰক্ষন কৰি কামত ব্যৱহাৰ কৰাৰ ওপৰিও খোৱা পানী হিচাৱেও ব্যৱহাৰ কৰে। পৱন, আমিও তেনেকৈ কৰিব নোৱাৰোনে?

পৱনঃ কেলেই নোৱাৰিম? আমাৰ ঘৰৰ চাদৰ পৰা পাইপেৰে পানহি তললৈ নমাই আনি পৰিশোধন কৰি চৌবাচ্চাত সংৰক্ষন কৰি ৰাখইব পাৰিম। অহা মাহত এই কামটোও কাৰাই পেলাব লাগিব।

দেউতাকঃ বৰ ভাল হব দেই পৱন।

মাকঃ চাহ নাখায় নেকি? আহক, পৱন আহ চাহ খাহি। মাইনা, গাখীৰ খাবলৈ আহিব লাগে।

নয়নাঃ মা, মোৰ আজি ৯টা তে ক্লাছ আছে। মই লৰালৰি কৰিছো, আহি আছো।

(কলিং বেল বজোৱাৰ শব্দ)

দেউতাকঃ নৰেন মিস্ত্ৰি আহিল নেকি? হয় তেৱেঁই আহিছে। আহা আহা মিস্ত্ৰি, আজি যেনে তেনে কামটো কৰি দিয়াহি।

মিস্ত্ৰিঃ হব ছাৰ আজি কামটো শেষ কৰিবলৈ চাম বাৰু।

(কামৰ ঘটং ঘাটাং শব্দ। মাজে মাজে দুটা এটা চিঞৰ)

পৱনঃ মিস্ত্ৰি, পাইপ আৰু এদাল তললৈ বহুৱাই দিবা, তেতিয়াহে ছাগে পানী উঠিব।

মিস্ত্ৰিঃ হব ছাৰ।

পৱনঃ দেউতা জানানে আমাৰ ভৰতৰ বহু ৰাজ্যত ভূজলৰ পানী তললৈ গৈছে আৰু সমস্যাৰ সৃষ্টি কৰিছে।

দেউতাকঃ অ' মই কৈছো নহয় কাগজত প্ৰবন্ধ পঢ়িছিলো বুলি। এইবোৰৰ সমাধান কেনেকৈ হব? তই কব পাৰিবিনে?

পৱনঃ আমি বৰষুনৰ পানী সংৰক্ষন কৰাৰ কথাটো জানানে? বৰষুন আহিলে বৰষুনৰ ৭০ শতাংশ পানীয়েই ভূপৃষ্ঠৰ ওপৰেৰে বাগৰি গৈ নদ – নদীত পৰি তাৰ পৰা গৈ সাগৰ মহাসাগৰত মিলেগৈ। মাথো বৰষুনৰ ৩০ শতাংশ পানীহে লাহে লাহে নিগৰি গৈ ভূজলৰ লগত মিলিত হয়গৈ। আজিকালি চহৰাঞ্চলত তাকো কমিছে। কিয়নো চহৰ নগৰৰ বেছি ভাগ ঠায়েই পকা। ৰাস্তা পকা, ঘৰ পকা, ঘৰৰ বাৰী পকা, তেতিয়াহলে পানী নিগৰি তললৈ যাবলৈ সুবিধাই নাই।

দেউতাকঃ হয়তো, তেনেহলে কি কৰা যায় এতিয়া।

পৱনঃ এতিয়া এটাই মাথো সমিধান, বৰষুনৰ পানী সংৰক্ষণ কৰি চৌবাচ্চা ভৰ্ত্তি হোৱাৰ পিছৰ পানীখিনি আমি ডাঙৰ ডাঙৰ গাত খান্দি তললৈ বোৱাই নিব লাগিব আৰু গাতত জমা কৰি তললৈ নিগৰি যাবলৈ দিব লাগিব। এনে কৰিলে পানীখিনিয়ে নিগৰি যাবলৈ সময় পাব।

দেউতাকঃ অ' এইটো ভাল কথা, তেতিয়াহলে প্ৰত্যেকশৰ মানুহে বৰষুনৰ পানী সংৰক্ষণ কৰিব লাগে আৰু বাকী থকা পানী তললৈ যাবলৈ সুবিধা কৰি দিব লাগে। বৰষুনৰ পানী সাধাৰনতে ঘৰৰ ছাল বা চাদৰ জৰিয়তে সংৰক্ষণ কৰিব পাৰি, ইয়াৰ উপৰিও অন্য কিবা সুবিধা আছে নেকি?

পৱনঃ দেউতা, ঘৰৰ ছাল বা চাদৰ বিহিৰেও সমান ৰাস্তা, খেল পথাৰ আদিত হজমা হোৱা পানী খাল খান্দি বোৱাই নি কেচা খাল বা গাতত পেলাইও পানী ভাগ ভূজলৰ লগত মিলিব পৰাকৈ ব্যৱস্থা কৰি দিব পাৰি। দিল্লী, হাৰিয়াণা, পঞ্জাৱ আদি বহু ৰাজ্যত এনে ব্যৱস্থাৰে ভূজলৰ পানী বহুত ওপৰলৈ অনা হৈছে।

পৱনঃ ইয়াৰ দ্বাৰা ভূজলৰ পানীৰ পৃষ্ঠ ওপৰলৈ অনা হয়।

দেউতাকঃ আমাৰ অসমতো এনে ব্যৱস্থা কৰিব নোৱাৰি নেকি?

পৱনঃ পাৰি কিয় নোৱাৰি। ইয়াৰ উপৰিও আজিকালি ভূজল লাহে লাহে ডুষিত হৈছে। এই ডুষিত পানী আমি ব্যৱহাৰ কৰিব নোৱাৰা হৈছো।

দেউতাকঃ হয় নেকি? ভূজল কেনেকৈ ডুষিত হয়? আমি ভাৱিছিলো ভূপৃষ্ঠৰ ওপৰৰ পানীভাগহে ডুষিত হয়।

পৱনঃ ভূজলৰ পানীত আজিকালি কিছুমান ৰাসায়নিক পদাৰ্থ দৰকাৰতকৈ বেছি পৰিমানে পোৱা গৈছে। যেনে ফ্ল'ৰাইড, আৰ্ছেনিক, লো ইত্যাদি। এইবোৰৰ ভিতৰত আৰ্ছেনিক হল সকলোতকৈ বিষাক্ত দ্ৰব্য। তাৰ পিছতে ফ্ল'ৰাইড। আমাৰ ভাৰতৰ দহখন ৰাজ্যত আৰ্ছেনিক ভূজলত পোৱা গৈছে। ৰাজ্যসমুহ হল পঞ্জাৱ, হাৰিয়াণা, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, চট্টিছগড়, পশ্চিম বঙ্গ, অসম, মণিপুৰ আৰু কৰ্নাটক।

দেউতাকঃ ভূজল এইবোৰৰ পৰা কেনেকৈ ডুষিত হয় তই জাননে?

পৱনঃ বহুত কাৰনত ভূজল ডুষিত হয়। যেনে ঘৰুৱা জাবৰ জোথৰ, উদ্যোগ সমুহৰ পৰা ওলোৱা অদৰকাৰী ৰাসায়নিক দ্ৰব্য, চেপ্টিক্ টেংকৰ পৰা ওলোৱা পানীভাগ, খেতি পৎহাৰৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক সাৰ, পোক পৰুৱা মৰা দৰব ইত্যাদি। এইবোৰ ভূজলৰ লগত মিলিত হৈ ভূজল প্ৰদুষণ কৰে।

দেউতাকঃ  আমাৰ ভাৰতত বাৰু কিমান ভূজল আছে আৰু ক'ত কেনেকৈ আছে?

পৱনঃ সমগ্ৰ ভাৰততে ভূপৃষ্ঠৰ তলৰ বালিৰ মাজত আৰু শিলৰ ফাঁকে ফাঁকে ভূজল সংৰক্ষিত হৈ আছে। বিজ্ঞানী সকলে নিৰ্ধাৰণ কৰা মতে ভাৰতত ৪৪০ বিলিয়ন কিউবিক মিটাৰ ভূজল সংৰক্ষিত হৈ আছে।

দেউতাকঃ কিউবিক মিটাৰ মানে কি বুজাইছে?

পৰনঃ এক কিউবিক মিটাৰ মানে ১০০০ লিটাৰ। তেতিয়াহলে ৪৪০ বিলিয়ন কিউবিক মিটাৰ মানে কিমান বেছি হ'ব ভাৰি চাইচানে?

মাকঃ তহতি আৰু কিমান এইবোৰ কথা পাতি থাক? ভাত হ'ল, নেখাৱ নেকি?

পৰনঃ গৈছো মা, পানী এবিধ ডাঙৰ বস্তু। এই কথাবোৰ স্কুলত ল'ৰাছোৱালীক বুজাব লাগে। আমাৰ ঘৰত আকৌ দেউতাইহে এইবোৰ বুজিব খুজিছে।

দেউতাকঃ পৱন, তই মোক বুজাবলৈ পাই বেয়া পাইছ নেকি? মই আকৌ এইবোৰ কথা শুনিবলৈ ভাল পাঁও। পৱন কচোন , ইমান পানী বালিৰ, শিলৰ মাজলৈ ক'ৰ পৰা আহিল?

পৰনঃ দেউতা, এই পানীভাগৰ ৭০ শতাংশই হল বৰষুনৰ পানী। ইয়াৰ বাহিৰেও নদ নদী, হ্ৰদ, পুখুৰি আৰু খেতিত কৰা জলসিঞ্চণ পানীৰ পৰাও ৩৫ শতাংশ আহি ভীজলত মিলিত হয়হি। ইমানবোৰ পানী জমা হৈ আছে যদিও, আমাৰ মানুহবোৰে দৰকাৰতকৈ বেছিকৈ ইয়াক উত্তোলন কৰি পানীৰ পৃষ্ঠ তললৈ নিছে।

দেউতাকঃ বৰষুন দেখোন ঠায়ে ঠায়ে হৈয়েই আছে তেতিয়াহলে বৰষুনৰ পানী -ভাগ তললৈ যোৱা নাই কিয়?

পৰনঃ তাৰো কাৰন আছে। আজিকালি বৰষুনৰ পৰিমান কমি গৈছে। ভূগৰ্ভৰ তললৈ নিগৰি যাবলৈও হল সমস্যা, কিয়নো মাটিভাগ হ'ল পকাৰে ঢকা, ৰাস্তা, পদুলি হ'ল পকা। বৰষুনৰ পানী এইবোৰৰ ওপৰৰে বৈ গৈ সাগৰ মহাসাগৰত মিলিত হয়গৈ।

দেউতাকঃ ব'ল ব'ল ভাত খাই লওঁগৈ। মাৰে চিঙ্ৰি আছে।

পৰনঃ আহা।

দেউতাকঃ পানীৰ পৃষ্ঠ মানে ভূজলৰ পৃষ্ঠ সকলো ঠাইত একে নেকি?

পৰনঃ নহয়। ঠায়ে ঠায়ে ই বেলেগ হয়। কিছুমান ঠাইত য'ত বালিৰ পৰিমান বেছি আৰু ভূগৰ্ভ ভাগ অকঠিন শিলেৰে গঠইত, তেতিয়াহলে ইয়াত ভূজলৰ পৃষ্ঠ বেছি গভীৰ নহয়। ২ বা ৩ মিটাৰতে বা তাতকৈ কমতে ইয়াক পাব পাৰি আৰু এনে কিছুমান ঠাই আছে যত কঠিন শিলাস্তৰেৰে ভৰা সেই ঠাই বোৰত ভূপৃষ্ঠৰ বহুত তলত ভূজল পোৱা যায়। এই গোটেইবোৰ নিৰ্ভৰ কৰে ভূগৰ্ভৰ গঠনৰ ওপৰত।

দেউতাকঃ সকলো ঠাইতে সমান পৰিমানৰ পানী উত্তোলন কৰিব পাৰি নেকি?

পৰনঃ দেউতা, ভূজল উত্তোলন কৰিব পৰা ক্ষমতা সকলো ভূগৰ্ভৰ গঠনত একে নহয়। নদীৰ পাৰৰ বালিচহিয়া মাটিত ইয়াক বেছিকৈ উত্তোলন কৰিব পাৰি। পাহাৰ, পৰ্ব্বতীয়া ঠাইত ইয়াক কমকৈ উত্তোলন কৰিব পাৰি।

দেউতাঃ ইমানবোৰ পানী জমা হৈ থকাৰ পিছতো পানীভাগ তললৈ যোৱাৰ কাৰণ আৰু কিবা আছে নেকি?

পৰনঃ মই আগতে কৈছোৱেই, ভূজল তললৈ যোৱাৰ গুৰিতে হৈছে আমি মানৱজাতি। আমাৰ প্ৰয়োজনতকৈ বেছি ভূজল আমি উত্তোলন কৰিছো। যেনে ধৰক বেংকত আমাৰ ১০০ টকা আছে, তাৰে যদি ১০০ টকাই উলিয়াই আনো, বেংক খালি হ'ব। আকৌ যদি যদি আমি বেংকৰ টকা নভৰাও তেতিয়াহ'লে আমি টকা ক'ৰ পৰা পাম? ঠিক তেনেদৰে ভূজলৰো একাই অৱস্থা হ'ব। আমি ভূজলৰ পৰিপুৰক কৰিব লাগিব। বৰষুনৰ পানীভাগ তললৈ নিগৰি যাব পৰাকৈ ঠায়ে ঠায়ে পুখুৰি খান্দিব লাগিব, খাল খান্দিব লাগিব। এইবোৰত বৰষুনৰ পানী ধৰি ৰাখি লাহে লাহে ভুগৰ্ভলৈ নিগৰি যাবলৈ দি ভূজলৰ পৃষ্ঠ ওপৰলৈ আনিব লাগিব।

দেউতাকঃ অ' বুজিছো, সেয়েহে আগৰ দিনত এই পানী জমা কৰি ৰখা এই পুখুৰি, বিল. হ্ৰদ বোৰ নিৰ্মান কৰিহিল। আজিকালি আকৌ এইবোৰত মাটি ভৰাই পুতি পেলাই, তাৰ ওপৰত হয় ঘৰ দুৱাৰ, নহয় উদ্যোগ স্থাপন কৰিছে। কিমান যে বেয়া কাম কৰা হৈছে আমি ভাৱি চোৱা নাই। ঘৰৰ ব্যৱহাৰ, উদ্যোগৰ ব্যৱহাৰ, খেতিত জলসিঞ্চণ ইত্যাদি ভূজলৰ পৰাই কৰা হয়। এই ভূজল ভাগ যদি আমি দৰকাৰতকৈ বেছিকৈ উত্তোলণ কৰো, ভূজল তললৈ যাবই। ই কেনেকৈ উপৰলৈ আহিব। খেতিত জলসিঞ্চণ কৰোতে আমি সাৱধানতাৰে কৰিব লাগে। সকলো ধৰণৰ খেতিতে সমান পৰিমানৰ পানী নালাগে। কিমান পানী কি খেতিত মাগে, চাই চিন্তিহে জলসিঞ্চণ কৰিব লাগে। আজই কালি বিভিন্ন ধৰণৰ জলসিঞ্চণৰ ব্যৱহাৰ হৈছে। এনেদৰে জলসিঞ্চণ কৰিলে আমি বহুত ভূজল সংৰক্ষণ কৰিব পাৰিম। ঠিক সেইদৰে ঘৰুৱা ব্যৱহাৰতো যদি আমি সাবধান হঁও ভূজল বচাব পাৰো।

পৰনঃ তুমি দেখোন ইমানবোৰ কথা জানা। এই কথাবোৰ সৰ্বসাধাৰনে জানিবৰ বাবে আমি সজাগতা সভা পাতিব লাগে, এই বিষয়বোৰৰ ওপৰত। আজিকালি ভাৰত চৰকাৰৰ কেন্দ্ৰিয় ভূমিজল ব'ৰ্ড এ এই বিষয়বোৰৰ ওপৰত সজাগতা সভা গাৱেঁ ভূঁএও পাতিছে আৰু স্কুলৰ ছাত্ৰ – ছাত্ৰীৰ মাজত ৰচনআ, চবি ইত্যাদি প্ৰতিযোগিতা পাতিছে। এইটো সচাকৈয়ে খুব ভাল কথা।

এই বিষয়বোৰৰ ওপৰত সজাগ কৰাই আমাৰ প্ৰথম কৰ্তব্য।

---

প্ৰশ্ন/ প্ৰস্তুতি ড০ শ্যামা প্ৰসাদ শৰ্মা

১. ভূজল প্ৰদূষণ কৰা আটাইতকৈ বেছি ভয়ংকৰ ৰসায়ণ দুবিধ কি কি?

-- ক্ৰমে আৰ্ছেনিক আৰু ফ্ল'ৰাইড ।

২. ভূজলৰ স্তৰ বৃদ্ধি কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা দুটা ব্যৱস্থা কি কি?

-- বৰষুনৰ পানী জমা হ'বলৈ  ঠায়ে ঠায়ে খাল – বিল আৰু পুখুৰি খন্দা।

**********************************************************************************************
******